# প্ৰহ্লাদ।

শ্ৰীবিপীনচন্দ্ৰ বৰুৱা বি, এৰ দ্বাৰাই

লিখিত।

শ্ৰীদুৰ্গাধৰ বৰকটকীৰ দ্বাৰাই

প্ৰকাশিত।

মূল্য ।/০ পাঁচ অনা মাথোন।

# প্ৰহ্লাদ।

শ্ৰীবিপীনচন্দ্ৰ বৰুৱা বি. এৰ দ্বাৰাই

লিখিত।

DISTRICT LIBRARY
(HEM BARUA COLLECTION)
TEZPUR.

শ্ৰীদুৰ্গাধৰ বৰকটকীৰ দ্বাৰাই

প্ৰকাশিত।

GOVERNMENT OF ASSAM
Call No ....... ... .
DISTRICT LIBRARY.

মূল্য ।/০ পাঁচ অনা মাথোন।

# প্ৰকাশকৰ বক্তব্য।

এই লৰাৰ পুথিখানি মোৰ বন্ধু ৰায় চাহাব শ্ৰীযুক্ত গোলাপচন্দ্ৰ বৰুবাৰ পুত্ৰ শ্ৰীমান বিপীনচন্দ্ৰ বৰুৱা বি, এ, ই লিখি ৰাখিছিল। মই কথাবতৰাত জানিব পাৰিলোঁ। যে তেওঁ আৰু কেইখনিমান পুথি লিখি ৰাখিছে, কিন্তু প্ৰকাশ কৰিব পৰা নাই। আৰু বুঝিব পাৰিলোঁ যে লৰাৰ উপযোগী কিতাপ লিখাত তেওঁৰ কিছু বিশেষ শক্তি আৰু আগ্ৰহ আছে। কিন্তু উৎসাহৰ অভাবত বাহিৰলৈ ওলাব পৰা নাই। ইয়াকে বুঝি মই যেনেতেনে এই পুথিখনি প্ৰকাশ কৰি দিবলৈ গাত ললোঁ। মোৰ এক মাথোন আশা যে তেওঁ যেন ইয়াৰ পাচত এখনিদুখনিকৈ আমাৰ লৰাছোবালাৰ উপযোগী-কিতাপ-লিখা-কামত ধৰি যায়।

জোৰহাট,
২৬ জুন, ১৯২৪।

শ্ৰীদুৰ্গাধৰ বৰকটকী।

PLEASE HANDLE THE BOOK CAREFULLY



# প্ৰহ্লাদ।

## ( ১ )

বৈকুণ্ঠপুৰী। দুখ নাই, বেজাৰ নাই, খোবাৰ চিন্তা নাই, পিন্ধাৰ ভাবনা নাই, অমাবাস্যাৰ ঘোপমৰা আন্ধাৰ নাই, জেঠৰ বাৰ খৰ নাই। তাত মাথোঁ গুটিৰ-ভৰত দোঁ খাই-যোবা গছ, কেউফালে ডাবৰৰ চিন চাব নোহোবা নীলা আকাশ, কুলু কুলু কৈ যোবা ফটিকৰ ধাৰ যেন নৈ।

DISTRICT LIBRARY
(HEM BARUA COLLECTION)
TEZPUR.

তাত টুটকীয়া নাই, মিছাকথীয়া নাই ; তাত লোকৰ সৰহ দেখিলে চকু-চৰহা নাই, লোকক ঠগি-খোৱা নাই। তাত যি সকল থাকে, তেওঁলোকে নিজে নেখাই লোকক খুৱায় ;- মৰিলেও মিছা নকয়।

তাত যেনি যাবা তেনি ফুলেৰে ভৰা সুগন্ধি ফুলনি, তাত যেনি যাবা তেনি সুগন্ধি গছৰ শাৰী। বতাহেই যেন তাত সৌৰভ বিলায়। এনে এখন ঠাই সি।

তাৰ মানুহবোৰে লোকৰ বদনাম গাই সময় নকটায় ; চৰাইবোৰে অনাহকতে ইটোৱে সিটোক খুটিয়াই নাথাকে : ভোমোৰাবোৰেও ভোন্ ভোন্ কৈ মিছাকৈয়ে ঘূৰি নুফুৰে। সকলোৱে বহি হৰিৰ গুণ গায় আৰু আনন্দত চকুৰ পানী পেলায়।

তাৰ সিংহই লোকৰ অপকাৰ নকৰে ; তাৰ বাঘে ছাগলি-পোৱালি নধৰে। ব্যাধেও তাত হাতত ধেনুকাঁড় লৈ হৰিণীক খেদি নুফুৰে : হৰিণীয়েও তাত মানুহ দেখিলে লৰ নামাৰে। তাত সকলো জীৱই সকলো জীৱক ভাই বুলি সাৱটি ধৰে। জীৱই জীৱক মৰম নকৰিলে জানো কৰবাত শান্তি থাকিব পাৰে ?

ইফালে আকৌ, তাৰ মানুহবোৰ বুঢ়াও নহয ; নৰিযাও নপৰে, নমৰেও। তাত মাথোঁ আছে ডেকা গাভৰু, লৰা ছোৱালী ;—সকলো সুন্দৰ—সকলো ল-নি।

এই ঠাইডোখৰ এনে নবহলৈকো—এই বৈকুণ্ঠই হৈছে সকলো পুণ্যবানৰ ঠাই। যি সকলে পৃথিবীত ভাল কাম কৰে তেওঁলোকে বঁটা পায কি কব পাৰানে ?- এই বৈকুণ্ঠ। স্বৰগৰ শিল্পী বিশ্বকৰ্ম্মাই নিজে এই ঠাইখন গঢ়িছে,, তাতে আকৌ, এই বৈকুণ্ঠতে থাকে বিষ্ণু। ঠাই-ডোখৰ ভাল নহৈ পাৰে জানো ?

এসময়ত এই বৈকুণ্ঠলৈকে চাৰি সিদ্ধ আহিছিল। তেওঁবিলাক,

"ব্ৰহ্মাৰ মানস চাৰি তনয।
ভ্ৰমন্ত আকাশে আনন্দময ॥"

ঋষি কেজনৰ ঘাইকৈ ইচ্ছা আছিল, বিষ্ণুৰ পূজা কৰা। তেওঁবিলাকক কাকো নোসোধাকৈ বিষ্ণু-মন্দিৰৰ ভিতৰলৈ বিবস্ত্ৰ অৱস্থাত সোমাই যোৱা দেখি বিষ্ণুৰ দুৱৰী দুজনে তেওঁলোকক বাধা দিলে আৰু বেতেৰে খেলি চাৰিউকো খেদি দিলে। ঋষি কেজনৰো খং উঠি দুৱৰী দুটাক ধৰি

শাপ দি পেলালে— 'তহঁত গৈ পৃথিৱীত দৈত্য হৈ জনম ধৰগৈ'।

দুৱৰী দুটাই এতিয়া কৰে কি? পুণ্যবানৰ কথাতো অথলে নাযায়। সিহঁত ভয়ত কঁপিবলৈ ধৰিলে।

এনে সময়তে বিষ্ণু ওলাই আহক, কিবা কামত। ওলাই আহি দেখিলে কাণ্ড বৰ ডাঙৰ হৈ উঠিল। তেওঁৰ ভক্ত সেই দুৱৰী দুটা। সিহঁতৰ দুৰ্গতি দেখি তেওঁৰ চকুৰ পৰা পানী বৈ গ'ল; কিন্তু তেওঁ মুনিকেজনক আদৰ সাদৰ কৰি বলবালে। গুণীৰ গুণ য'তে ত'তে। তাৰ পাচত দুৱৰী দুটাক অভয় দি ক'লে—'তোমালোকে ভয় নাখাবা, তোমালোক মোৰ শত্ৰু হৈ পৃথিবীত তিনি বাৰ জনম ললে, তোমালোকে আকৌ স্বৰ্গলৈ আহিব পাৰিবা'। মুনিকেজনে তেতিয়া বৰ লাজ পালে। তেওঁবিলাক জনাবুজা মানুহ হৈও খং খালে। তেওঁবিলাকে বিষ্ণুৰ ভৰিত পৰি ক্ষমা মাগিলে— তেওঁলোকে তেওঁৰ ভক্তক শাপ দি তেওঁক দুখ দিয়া বাবে।

এই দুৱৰী দুটাৰ এটাৰ নাম আছিল জয়, আৰু এটাৰ নাম আছিল বিজয়।

---

( ২ )

## আগৰ কথা।

কাশ্যপ মুনিৰ দুটা ল'ৰা। সিহঁতৰ ডাঙৰটো হিৰণ্য-কশিপু আৰু সৰুটো হিৰণ্যাক্ষ।

এই লৰা দুটাই উপজিয়েই পৃথিবীত খলক লগাবলৈ ধৰিলে। সিহঁত যেনি যায়, তেনি এটা হাইকাঁজিয়া আছেই। বাপেক কাশ্যপমুনিৰ আৰু মাক দিতিৰ, সিহঁতৰ অত্যাচাৰত তৃপ্তি নাই। অমুকটো দে, বুলিলেই দিব লাগে ; অমুকটো কৰ, বুলিলেই কৰিব লাগে। নহলে আৰু সেই দিনা ঘৰৰ লক্ষ্মী পলায় সুখ শান্তি নাথাকে। ওচৰ চুবুৰীযাৰো লৰা ছোৱালী সিহঁতৰ প্ৰতাপত ঘৰৰ বাহিৰ হ'ব নোৱাৰে, ওলালেই সিহঁতৰ হাতত হয মাৰ খাই নগুৰ্শাস্তি হ'ব, নহয় গালিশপনি খাই কান্দিকাটি গুচি যাব। বাটকৰা মানুহেও সিহঁতৰ অত্যাচাৰতেই বাট এৰি যাব লগা হয় ; নহলে, এই লৰা দুটাই জানো শুদাই এৰিব ? -দলিয়াই নুৰ ভাঙিব নহয।

অইন লৰা ছোৱালী ডাঙৰ হৈ যায় মানে জনাবুজা হয় আৰু স্বভাৱ চৰিত্ৰও গঢ় লৈহে যায় ; কিন্তু, এই দুটা লৰা যিমান ডাঙৰ হৈ গ'ল, সিমান দুৰ্দ্দান্তহে হৈ গ'ল। সিহঁতক দমাবলৈকো—সিহঁতে কাৰোবাৰ কথা শুনিলেহে। মাক বাপেকে জানো কিবা কব পাৰে-মুখে মুখে উত্তৰ দিয়ে নহয়। লগৰ লগৰীয়াবোৰে উপদেশ দিলে সিহঁতক গালি পাৰে ; অইন মানুহে কিবা ক'লে, মৰিয়াই আধাধুন দেখুৱায়। সিহঁতে ভাবে, 'আমি কাক ভয় কৰিব লাগিছে, বলেৰে আমাক কোনে হৰুৱাব পাৰে ? আৰু সঁচাকৈয়ে সিহঁতক বলে পৰা, কি মানুহ, কি দৈত্য কি দেৱতা, কোনোৱেই নাছিল।

এই দৈত্যদুটাৰ অইনেৰে দন্দ কৰোঁতে কৰোঁতে এনে এটা অভ্যাস হৈ গল যে, দন্দ নকৰাকৈ সিহঁত শাঁতিৰেই থাকিব নোৱাৰা হ'ল। মৰামৰি কৰা, যুঁজা, সিহঁতৰ পক্ষে হ'ল ধেমালি, এনেই শাঁতিৰে বহি থকাটো হ'ল সিহঁতৰ পক্ষে বৰ টান কাম। ইফালে যুঁজিবলৈকো কাৰে যুঁজে ? তাঁহাতেৰে যুঁজিবলৈ বা আগবাঢ়েই কোনে ? সিহঁতৰ নামহে শুনিব লাগে, নৰমনিষ নালাগে দেৱতাও পলাই পত্ৰং

সন্ধ্যাপৰ। বেলি পৰো পৰো হৈছে। গোটেই আকাশখন গেনেহে ৰাঙলি হৈ পৰিছে! তাৰ তলতে নীল-বৰণীয়া হৈ সাগৰৰ পানীবোৰে যিহে উখল-মাখল লগাইছে; দেখিলে আহিবৰ মনকে নাযায়। এনে সময়ত এদিন এই হিৰণ্যাক্ষই সাগৰৰ পাৰতে বহি, চৌলেখিছে, আৰু ক'ত যুঁজিবলৈ যুঁজাৰু পাব তাৰে আলেখ-লেখ ভাবি বহি আছে। এনেতে, নাৰদমুনি বীণা খনিত হাত বুলাই বুলাই এখুজি দুখুজি কৈ সেই ফাললৈকে যাওক। মুনিক দেখিয়েই হিৰণ্যাক্ষই সুধিলে,—'মুনি, তুমি এই চৌধ ভুবন ফুৰা; তুমি মোৰ নিচিনা বীৰ দেখিছানে?'—মুনিয়ে ক'লে, 'আপোনাৰ নিচিনা বীৰ ক'ত আছে? পিচে, পাতালত এটা বৰাহ আছে, তাৰ হলে বৰ বল।' মুনিয়ে তাকে কৈ বীণা বজাই গুচি গ'ল। বৰাহৰ কথা শুনি হিৰণ্যাক্ষৰ যি-হে আনন্দ! সি ভাবিলে, ইমান দিনৰ মূৰত তেও বৰাহৰ লগত যুঁজি যুঁজৰ হেঁপাহ পূৰ ব পাৰিব।

আনন্দত নাচি হিৰণ্যাক্ষ গ'ল পাতাললৈ নামি। তাৰ ইমান আনন্দ হ'ল, যে সি ঘৰলৈ বাতৰি পঠাবলৈকো পাহৰিলে। পাতাল পাই, সি দেখে, চাৰিউপিনে পানী। তাত

ডাঙৰ ডাঙৰ সাপবোৰ মেৰখাই মেৰখাই পৰি আছে। আকৌ পানীৰ যে কলকলনি, গিৰ্‌গিৰনি, হুৰ্‌হুৰ্‌নি। হিৰণ্যাক্ষৰ গা চিৰিং কৈ গ'ল। তাতে আকৌ পাতালখন যিহে গোপমৰা আন্ধাৰ—নিজৰ গাটোকে মনিব নোৱাৰি। হিৰণ্যাক্ষই ভাবিলে, এই ঠাইত গি থাকিব পাৰে সি সৰাকৈয়ে বীৰ।

হিৰণ্যাক্ষই পাতাললৈ গৈ বৰাহক বিচাৰিবলৈ ধৰিলে। কিন্তু সি বৰাহক পাব ক'ত? বৰাহ থাকে পানীৰ মাজত সোমাই, সি এতিয়া তাক পাব কেনেকৈ? বৰাহক নেপাই হিৰণ্যাক্ষৰ এদিন বৰ খং উঠিল, আৰু খণ্ডতে বলিয়া হৈ, 'আহ বৰাহ, ওলাই আহ' বুলি গদাৰে পাতালৰ পানীত মৰিয়াবলৈ ধৰিলে।

এনেতে এবাৰ গাজনিৰ দৰে এটা শব্দ হ'ল। তাৰ পিচত ভয়ঙ্কৰ ধুমুহা মাৰিবলৈ ধৰিলে। গোটেই সাগৰখন তল ওপৰ হ'ল। তাৰ পিচত 'হো' কৰি সাগৰৰ পৰা এটা বৰাহ ওলাই আহিল। কিন্তু বৰাহক দেখি হিৰণ্যাক্ষৰ বুকু কঁপি গ'ল। ইমান ডাঙৰ বৰাহ সি কেতিয়াও দেখা নাই। এনেকুৱা বৰাহ গোটাৰেও সিম নহো বৰাহ নহয়। বৰাহে

মুহূৰ্ত্ততে আহি হিৰণ্যাক্ষৰ পেট ভোঁহাৰি পেলালেহি; হিৰণ্যাক্ষৰ গদা উফৰি কৰবাত পৰিল। সি যেনে কাম কৰিলে তেনে ফল পালে। লোকৰ অপকাৰ কৰিবলৈ বিচাৰি ফুৰিলে নিজৰ অপকাৰ নহৈ নোৱাৰে। বাৰু থাকে জানো?

এই বৰাহেই হৰিৰ তৃতীয় অৱতাৰ। দুষ্টৰ দমন আৰু শান্তৰ পালন কৰিবলৈকে হৰি যুগে যুগে অৱতাৰ হয়। সেই হে পৃথিবীত দুষ্ট মানুহ সদায় দিন তিষ্ঠিব নোৱাৰে।



# ( ৩ )

হিৰণ্যকশিপুৱে ভায়েকক বহুত দিন বিচাৰিলে। শেষত ক'তো নাপাই নিৰাশ হৈ বহি আছে। এনেতে নাৰদ মুনি আহি ওলালহি। নাৰদৰ হাতত সেই বীণখনি আৰু মুখত সেই হৰিনাম, আৰু হৃদয়ত সেই হৰিভক্তি। নাৰদক দেখিয়েই হিৰণ্যকশিপুৱে সুধিলে,—'মুনি, হিৰণ্যাক্ষক দেখিছিলানে?' নাৰদে ক'লে, 'মই সিদিনা পাতাললৈ যাঁওতে, সাপৰ ৰজা বাসুকিয়ে ক'লে, বোলে হৰিয়ে বৰাহ ৰূপ ধৰি তেওঁক সাগৰৰ পাৰত মাৰি পেলাই থৈ গ'ল।' কথা শুনি হিৰণ্যকশিপু খঙতে কঁপিবলৈ ধৰিলে।

"শুনিয়া হিৰণ্যে ভ্ৰাতৃৰ বধ—
ক্ৰোধে আৰকত চক্ষু তৃবধ॥
শূলক তুলি গৰ্জ্জি দৈত্যনাথ।
দশন কামুৰি অঙ্কাৰে মাথ॥
দানৱগণক মাতে সম্বোধি।
মাৰিবো বৰাহক শূলে বিন্ধি॥

বান্ধিলে আমাৰ ভ্ৰাতৃ কনিষ্ঠ।
দেৱ ব্ৰাহ্মণৰ চিন্তা অনিষ্ট ॥
পৃথিবীক লাগি কৰা গমন।
তপ জপ যজ্ঞ কৰিয়ো ছন ॥
বিষ্ণু সে সবাৰ জানা আশ্ৰয়।
গুৰু ব্ৰাহ্মণৰ কৰা প্ৰলয় ॥"

এনেকুৱা ভায়েক; তাকে হৰিয়ে মাৰি থৈ গ'ল। সি ঠিক কৰিলে, হৰিক সি ভালকৈ এসেকা দিব; সি দেখুৱাব সি বলীনে হৰি বলী। হিৰণ্যকশিপুৱে সকলোকে কৈ দিলে, যে তাৰ ৰাজ্যত যেন কোনেও হৰিৰ নাম নলয় বা পূজা নকৰে। যদি কোনোৱে কৰে তৎক্ষণাৎ তাক পিণ্ডত দিব। নাৰদ মুনিয়ে দেখিলে, কথাটো বৰ টানত পৰিল। তেওঁ লাহেকৈ তাৰ পৰা আঁতৰি গুচি গ'ল। যাওঁতে বাটেদি বীণাত গাই গ'ল,

'হৰি কথা ৰস নিৰ্ম্মল অমৃত
যিটো জনে পান কৰে।
সংসাৰ মধ্যত সি সি জন মাত্ৰ
সফল জীবন ধৰে ॥'

ইফালে হিৰণ্যকশিপুৱে কৰিলে কি ঃ ৰজাৰ সাজপাৰ সোলাকাই থৈ মন্দৰপৰ্ব্বতত ব্ৰহ্মাৰ তপ কৰিবলৈ গ'ল। সি তপ কৰিবলৈ আকৌ গৈছিল ব্ৰহ্মাক খাটি লুটি অমৰ হৈ লবলৈ.কিয়নো অমৰ হব নোৱাৰিলে সি হৰিক বলে নোৱাৰে. কাৰণ হৰি অমৰ- -।

মন্দৰপৰ্ব্বতত তপ কৰি হিৰণ্যকশিপু বহি আছে। তাৰ তপৰ বল দেখি দেৱতা সকলে বিস্ময় মানিলে। তাৰ গাৰ কেউকালে উঁইৰ হাঁফলু তাক মেৰিয়াই ফেঁটী সাপ বোৰে ফেঁট তুলি আছে. কেউফালে বাঘভালুকে গুজৰি ফুৰিছে ; কিন্তু সি কেৰাহিকৈয়ে চোৱা নাই। তাৰ মন মাথো ব্ৰহ্মাত।

"ব্ৰহ্মাক চিন্তিয়া আছে মনত।
বহি গৈল দিব্য বৰিষ শত ॥
ঢাকিলে তনু উঁই মাটি তুলি।
শৰীৰৰ মাংস খাইলে সমূলি ॥
গাজিল তাক চাকি বেৰ ঝাৰ।
তথাপি কটাক্ষ নাহিকে তাৰ ॥
শিৰত বহ্নি বঝাই তপোময়।
তাৰ তাপে ভৈল জগতে ভয় ॥

সঘনে ভূমি কম্পে নিৰন্তৰ।
খলকিল ত্ৰাসে সাতো সাগৰ ॥
সঞ্চাৰে তাৰা গ্ৰহ অসংখ্যাত।
দশোদিশে ভৈল উল্কাপাত ॥”

শ শ বছৰ পাৰ হৈ গ'ল; কিন্তু সি আৰু এবাৰো মুঠিল। শেহত ব্ৰহ্মাই কি কৰিব, ভক্তৰ অধীন তেঁও— আহিবলৈ বাধ্য হ'ল। ব্ৰহ্মাক দেখিয়েই হিৰণ্যকশিপুৰ বডৰ ঠাই নাইকিয়া হ'ল।

ব্ৰহ্মাই সুধিলে, “বোপাই, তোমাক লাগে কি?” তেতিয়া হিৰণ্যকশিপুৱে বৰ খুজিলে,

“তুমি সৃজি আছা যত প্ৰাণী নিৰন্তৰ
কাতো হন্তে নুহিবেক মোহোৰ মৰণ।
ত্ৰৈলোক্যৰ লোকে লৌক আমাত শৰণ ॥”

ব্ৰহ্মাই সন্তুষ্ট হৈ বুলিলে ‘তথাস্তু’ অৰ্থাৎ ‘সেয়ে হওক।’ এতিয়া হিৰণ্যকশিপুৱে ধৰিলে ‘এতিযা মোক অমৰ কৰি দিব লাগে।” কিন্তু দেৱতাৰ বাহিৰেতো ব্ৰহ্মাই এই বৰ কাকো দিব নোৱাৰে। ব্ৰহ্মাই কলে, এইটো বৰ মই দিব নোৱাৰোঁ নহয় তোমাক।’ পিচে, হিৰণ্যকশিপুৱে এনে

এটা বুদ্ধি পাঙ্গি বৰটো খুজিলে, যে সি অমৰ হ'ব পাৰিব। সি ক'লে, "পানী, মাটি কিম্বা শূন্যত যেন মোৰ মৰণ নিমিলে, ৰাতি বা দিনত মোৰ মৃত্যু নঘটে ; ধেনু, কাঁড়, যাঁঠি, জোং, গদা আদি একো অস্ত্ৰৰ দ্বাৰা যেন মোৰ মৰণ নহয়।

"নমাৰিবো ৰাত্ৰিত দিনত মৃত্যু নৌক,
অস্ত্ৰে সস্ত্ৰে মাৰিবাক নোৱাৰোক মোক ॥"

এইবাৰ ব্ৰহ্মাই, তথাস্তু বুলি কৈ গুচি গ'ল। হিৰণ্য-কশিপুৱে ভাবিলে সি ব্ৰহ্মাক বাৰুকৈয়ে ছলিলে। এতিয়া আৰু তাক কোনে কি কৰিব? এতিয়া সি হৰিক ভালকৈ এশিকনি দিব পাৰিব।



PLEASE HANDLE THE BOOK CAREFULLY

( ৪ )

## ফটা কঠাত সোণ।

—০—

হিৰণ্যকশিপুৰ চাৰি পুতেক ; তাৰে নিচেই সৰুটিৰ নাম 'প্ৰহ্লাদ।'

প্ৰহ্লাদৰ বৰণটি কেচা সোণৰ দৰে ; দাঁত কেইটি মুকুতাৰ মণি যেন, আৰু নাকটি তিলফুলৰ দৰে। মুখখনি আকৌ যেন ফুলোঁ ফুলোঁ হোৱা গোলাপৰ কলিটি হে, প্ৰহ্লাদক দেখিলে মানুহৰ ভোক পিয়াহ হৰে।

ইফালে স্বভাৱ! কেনে শান্ত, কেনে মধুৰ, কেনে ধীৰ-স্থিৰ! ৰোহ নাই, ঠেঁহ নাই ; দম্ভ নাই, খঙ নাই ; যেন পৃথিৱীক শান্তি দিবলৈহে এই পুটলাটি আহিছে।

কিন্তু, প্ৰহ্লাদৰ সেই সুন্দৰ মুখখনি সদায় আমন-জিমন হৈ থাকে ;—যেন দৈত্যবিলাকৰ বেয়া কামবোৰ দেখিয়েই, ককায়েকহঁতে পখিলা এটা ধৰি তাৰ পাখি দুখনি চিঙ্গি পেলালে, লৰাটিয়ে কন্দনামুৱা হৈ তাহাতঁক তেনে নকৰি-

বলৈ কত কাকুতি মিনতি কৰে। সিহঁতে চৰাই পোৱালি পাৰি আনিলে, তেঁও হুক্ হুক্ কৈ কান্দিবলৈ ধৰে। যেতিয়া ককায়েকহঁতে সেউজীয়া গছৰ কুমলীয়া কুমলীয়া ডালপাত বোৰ ভাঙ্গি চিঙ্গি মষিমূৰ কৰে, তেতিয়া তেঁওৰ দুই চকুৰ পৰা কেনেকৈ ফটিকৰ দৰে দুধাৰি নিৰ্ম্মল চকুপানী বৈ থাকিছিল। তেঁও ভাবি নাপাইছিল, কিয়, ককায়েকহঁতে তেনে নিষ্ঠুৰ আচৰণ কৰে। তেওঁ ভাবিছিল, গছেওটো আমাৰ দৰে দুখ পায়। তেনেহলে অনৰ্থক এওঁবিলাকে গছ পুলিবোৰক দুখ দিয়ে কিয় ?

প্ৰহ্লাদৰ কিন্তু আটাইতকৈ বেজাৰ, যেতিয়া তেওঁৰ বাপেক আৰু ককায়েকহঁতে ডাঠি কয়, হৰি সিহঁতৰ শত্ৰু বুলি। তেওঁ ভাবে, যি হৰিয়ে মাতৃৰ বুকত মৰম দিলে, যি হৰিয়ে উমলিবলৈ বাই-ভনী দিলে, যি হৰিয়ে পিয়াহ গুচাবলৈ এনেকুৱা পানী দিলে, যি হৰিয়ে ভোক গুচাবলৈ গছৰ গুটি দিলে, সেই হৰিনো কেতিয়াবা কাৰোবাৰ শত্ৰু হব পাৰে ? তেওঁ মনে মনে ভাবে, 'দেউতাহঁতে এইবোৰ কথা কি কয় ?'

কেতিয়াবা মাকৰ কোলাত সোমাই মাকৰ বুকত মুখ'নি

PLEASE HANDLE THE BOOK CAREFULLY



স্থমুৱাই থাকোঁতে তেঁওৰ মনত খেলায়, যেন গোটেই পৃথিৱী খনৰে এই দৰে মৰম কৰোতাঁ এজন আছে। তেওঁৰ মনেৰে তেঁৱেই হৰি। তেঁওৰ মনেৰে হৰি নন্দনৰ পাৰিজাতফুলত-কৈয়ো স্থন্দৰ। তেঁওৰ স্নেহ দেৱতাসকলে পানকৰা অমৃতত-কৈয়ো সোৱাদ।

এদিন জোনাক ৰাতি ফুলনিৰ মাজেদি মাকৰ হাতত ধৰি ফুৰি ফুঁৰোতে প্ৰহ্লাদে মাকক কলে, "আই, তোমা-লোকে কোঁৱা, হৰি শত্ৰু। হৰি শত্ৰু হলে নো বাৰু আমাক পোহৰ দিবলৈ জোনটো কিয় কৰিব? আমাৰ আনন্দৰ বাবে সৌ ফুলবোৰ কিয় ফুলালে? শত্ৰুৱে জানো কাৰোবাৰ ভাল কৰিব খোজে?

আৰু এদিন সন্ধ্যা প্ৰহ্লাদে মাকৰ কোলাত বহি সাধু-কথা শুনিছে। হঠাৎ প্ৰহ্লাদে স্থধি পেলালে, "আই, দেউতাৰ বাপেক কোন?" মাকে হাঁহি উত্তৰ কৰিলে, "কেলেই, তোৰ ককাৰ?" প্ৰহ্লাদে স্থধিলে, "তেওঁৰ বাৰু দেউতাক আছিলনে?" মাকে কলে, "কেলেই তোৰ আজুককাৰ? মই তেঁওক দেখিছিলোঁ নহয়!" প্ৰহ্লাদে তেতিয়া আকৌ প্ৰশ্ন কৰিলে, "আই, আমাৰ বংশৰ যি জন

প্ৰথম, তেঁওৰ বাপেক কোন ?" মাকে সুধা লাগি লৰাৰ মুখলৈ চাই ৰ'ল। "লৰাটোৱে এইবোৰ কি কৈছে!" অলপ বৈ মাকে কলে, "মই কব নোৱাৰোঁ।"

তেনেতে নাৰদ মুনিৰ বীণা বাজি উঠিল। মুনিৰ বীণাই গাইছে,

"হৰি কহ, হৰি কহ, হৰিয়েহে সাৰ,
তপ, জপ, যজ্ঞ, যাগে, সিদ্ধি নাই আৰ।

ৰাণীয়ে নাৰদক আথেবেথে বহিবলৈ দিলে। নাৰদে বহি আকৌ গালে,—

"হৰি বোল হৰি বোল কৰি মন স্থিৰ,
তেৱেসে সফল হোৱে মনুষ্য শৰীৰ॥"

নাৰদ মুনিয়ে ৰাণীক এবাৰ বৰ উপকাৰ কৰি থৈছিল; সেই কাৰণে নাৰদে যিহকে কৰে, তাত কোনেও নামাতে। হিৰণ্যকশিপুৱেও নাৰদক ভক্তি কৰিছিল। নহলে হিৰণ্যকশিপুৰ ঘৰৰ ভিতৰত হৰিৰ নাম লৈ কোনে সাৰে ?

গান শুনি প্ৰহ্লাদৰ বৰ ভাল লাগিল। তেওঁ গৈ

নাৰদ মুনিৰ কোলাত বহিল। নাৰদক ক'লে, "আৰু এটি গীত গাওক, মুনিদেৱ!" নাৰদে গালে,—

"হৰি কথা ৰস নিৰ্ম্মল অমৃত
যিটো জনে পান কৰে।
সংসাৰ মধ্যত সিটো জন মাত্ৰ
সফল জনম ধৰে।

প্ৰহ্লাদে সুধিলে, "দেৱ, মোক এনেকুৱা নাম শিকাই দিব নোৱাৰেনে?" নাৰদে তেতিয়া গালে,—

"হৰিৰ চৰণ চিন্তিয়ো চিত্ত হৃদয়ে সৰ্ব্বথা।
মুখে হৰি বোল, কৰ্ণে শুনা হৰিকথা॥"

নাৰদৰ গান শুনি প্ৰহ্লাদে তলকা মাৰি মুনিৰ মুখলৈ চাই ৰ'ল। তাৰ পিচত সুধিলে, "দেৱ, এই হৰি কোন? মোৰ এটা কথা মনত খেলাইছে; মই সিদিনা আইক শুধিছিলোঁ, জোনটো কোনে কৰিলে। আয়ে মোক নকলে। মোৰ মনেৰে, এই হৰিয়েই হে কৰিলে। নহয়নে, মুনিদেৱ, নহয়নে?" প্ৰহ্লাদে আনন্দতে দুই বাহু তুলি নাচি পেলালে। নাৰদে গালে,—

"হৰি কথা ৰস নিৰ্ম্মল অমৃত,
যিটো জনে পান কৰে।
সংসাৰ মধ্যত সিটো জন মাত্ৰ
সফল জনম ধৰে।"

ৰাণীয়ে মুনিক ক'লে, "মুনি কৰিলে কি? মোৰ লৰাৰ দেখোন সৰ্ব্বনাশ কৰিব খুজিছে! ৰজাই শুনিলে তাক জীয়াই জীয়াই খাব; তাৰ হাড় এডালো নাথাকে।" নাৰদে একো নামাতিলে। যাবৰ বেলিকা কৈ গ'ল;—

এই হৰি জগতৰ ৰজা। এওঁেই জগত স্ৰজিলে। জীৱ-জন্তু সকলোকে জনম দিলে, এই হৰিয়েই। এওঁৰ নিচিনা বন্ধু আৰু "জগতত নাই।" ৰাণীয়ে তধা লাগি মুনিৰ ফালে চাই থাকিল। প্ৰহ্লাদে ক'লে, "অ" ময়ো তাকে ভাবিছিলোঁ, ময়ো তাকে ভাবিছিলোঁ," গালে,—

"নিজ দাস কৰি হৰি মোক কিনা কিনা,
আন ধন নালাগয় নাম ধন বিনা॥"

---

## ( ৫ )

আগৰ দিনত এতিয়াৰ দৰে গাৱেঁ গাৱেঁ পঢ়াশালি নাছিল। তেতিয়া গাওঁখনে পতি সকলো বিস্থাত পাৰ্গত হৈ উঠা দুজনতিনিজনকৈ হে মাথোন পণ্ডিত আছিল। সেই পণ্ডিতসকলৰ ঘৰতে গৈ ছাত্ৰই পঢ়িব লাগিছিল। আজি-কালিৰ দৰে মাছুল বা ফিজ নিদি তেওঁলোকে গুৰুৰ কাম কাজ কৰি দিছিল।

হিৰণ্যকশিপুৰ নগৰতো এনে দুজন ডাঙৰ পণ্ডিত আছিল। সেই পণ্ডিতদুজনৰ ঘৰতে গৈ হিৰণ্যকশিপুৰ চাৰি পুতেকে পঢিব লাগিছিল। এই পণ্ডিতদুজনৰ নাম আছিল ষণ্ড আৰু অমাৰ্ক। লৰা গতাই দিওঁতে হিৰণ্য-কশিপুৱে পণ্ডিতদুজনক কৈ দিলে, যেন তাৰ লৰাই

কেতিয়াও হৰৰি নাম নলয়। হিৰণ্যকশিপুৱে আৰু কৈ দিলে, যেন সিহঁতক শিক্ষা দিয়া হয়, হৰি সিহঁতৰ শত্ৰু বুলি।

বহ্মাৰ চাৰিপুতেকৰ পঢ়া আৰম্ভ হ'ল। প্ৰথম দিনাই পণ্ডিত দুজনে মন কৰিলে, প্ৰহ্লাদ লৰাটি বৰ বুধিয়ক, কিন্তু, তেওঁ সদায় কিবা এটা ভাবি থাকে। তাতোকৈ আচৰিত, কিছুমান আখৰ গাওঁতে তেওঁৰ চকুৰ পানী গালেদি বৈ গৈ কলপাতৰ লিখাৰ ওপৰত পৰি লিখাবোৰ ম'চ পেলায়! পণ্ডিতে কন্দাৰ কাৰণ সুধিলে একোকে নামাতে। কিন্তু, লগৰ লৰাবোৰে সুধিলে কয়, "চোৱাঁচোঁ, নাকান্দি কেনেকৈ থাকোঁ। হৰিৰ কেনে দয়া! আমি যি আখৰবোৰ চিনি পৃথিবাৰ জ্ঞান লাভ কৰিব পাৰোঁ, তাৰ ভিতৰতে হৰিৰ নামৰ আখৰবোৰ কেনেকৈ সোমাই আছে! মই 'হ' মাতিব লগা হ'লেই মনত পৰে হৰিৰ নাম।" দৈত্য লৰাবোৰে হাঁ কৰি চাই থাকে। সিহঁতে প্ৰহ্লাদৰ কথা বুঝিবকে নোৱাৰে। বুঝে নো কেনেকৈ? সিহঁতেতো হৰিৰ নাম শুনা নাই। বহুতে প্ৰহ্লাদৰ কথা উৰাই দিয়ে। কিন্তু প্ৰহ্লাদৰ কথা শুনি কিছুমান লৰাৰ বৰ ভাল লাগে। সিহঁতে প্ৰহ্লাদক বেৰি ধৰি হৰিৰ কথা

সোধে। প্ৰহ্লাদ 'আচৰিত হয় ;—সিইত তেওঁতকৈ ডাঙৰ হৈয়ো হৰিৰ কথা একো নাজানে।—তেওঁৰ নামো শুনা নাই। কিন্তু, -প্ৰহ্লাদেতো কাকো বেজাৰ দিব নোৱাৰে। তেওঁ তেতিয়া বুজাবলৈ আৰম্ভ কৰে, "ভাইহঁত, বজাৰ দৰে যি পৃথিৱী পালন কৰিছে ; মাতৃৰ দৰে যাৰ স্নেহ দুখীয়া, ধনী, সকলোৰে ওপৰত সমানে পৰে ; সূৰ্য্যই যাৰ পৰা পোহৰ ধাৰ কৰি সংসাৰক পোহৰ আৰু তাঁপ দান কৰে ; জোনে যাৰ হাঁহিৰ কণা এটি পাই সেই হাঁহি জগতক বিলায ; বতাহে যাৰ কৃপা পাই তাৰে জগতক জুৰ কৰে ; যি পুৱাক জেউতি দিছে ; আৰু যাৰ কীৰ্ত্তি অপাৰ, তেৱেঁই হৰি। এই হৰিৰ কৃপাতে আমি খাবলৈ পাইছোঁ, এই হৰিৰ কৃপাতে আমি সকলো সুখ ভোগ কৰিব পাৰিছোঁ।" প্ৰহ্লাদৰ এই কেষাৰ কথা শুনি দৈত্য-লৰাবোৰ আৰু ওচৰ চাপি আহে।

প্ৰহ্লাদে কিয় কান্দে, ইকাণ সিকাণ হৈ গুৰুৰ কাণত পৰিলগৈ। ষণ্ডামাৰ্কে আৰু শুনিলে, প্ৰহ্লাদৰ লগতে আৰু কিছুমান লৰাই হৰিৰ নামত মজি হৰিৰ মহিমা শুনে। ষণ্ডামাৰ্কে প্ৰমাদ গণিলে। ষণ্ডামাৰ্কে দেখিলে, ইমানতে

হৰিৰ কথা বন্ধ নকৰিলে গুৰুশিষ্য কাৰো ৰক্ষা নহ'ব। দুই গুৰুৱে প্ৰহ্লাদক বুঝালে, "হৰিয়ে কাৰো উপকাৰ নকৰে ; হৰিয়ে যিমান পাৰে অপকাৰ হে কৰে ; হৰিক মনাৰ কোনো লাভ নাই।" প্ৰহ্লাদে সকলো কথা শুনিলে। হৰি শত্ৰু বুলিলত তেওঁৰ চকুৰ পৰা চল্‌চল্‌কৈ পানী বৰলৈ ধৰিলে। কিন্তু গুৰুৰ কথাৰ একো উত্তৰ নকৰিলে। গুৰু গ'লত তেওঁ ওপৰলৈ চাই কলে, "প্ৰভু, তুমি ইমান মৰমিয়াল ! আমি সুখত থাকি এবাৰো তোমাৰ কথাকে নাভাবোঁ। কিন্তু, তুমি আমাক কি দিয়া নাই ? ৰাতিপুৱাৰ চৰাইৰ গান, ৰাতিৰ তৰাৰ থূপ, সকলোবোৰ দিছা। আইৰ মৰম, বাই-ভনীৰ ভালপোৱা, বন্ধুলৈ হেঁপাহ, এই সকলোবোৰো তোমাৰ সেই ঢুটুটা ভৰাঁলৰে। কিন্তু, আমি কি অশলাগী, তেওঁ কওঁ 'হৰি শত্ৰু'।' ছেগ বুঝি আকৌ প্ৰহ্লাদে দৈত্য ল'ৰাবোৰক বুঝায় ঃ—

"অসাৰ সংসাৰ, নাই ইহাত বিশ্বাস।
জানি হৰি ভকতিক কৰিয়ো অভ্যাস ॥
মনুষ্যৰ আয়ুসত বৰিষ সংখ্যাত।
অৰ্দ্ধেক নিষ্ফলে যায়, জানিবা নিদ্ৰাত ॥

বিংশতি বৰিষ আৰু যায় ওমলন্তে।
নেয় দশ বৰিষ ধনক উপাৰ্জ্জন্তে॥
বৃদ্ধকালে যায় শেষ বৰিষ বিংশতি।
একো কাৰ্য্য সাধিবাক নাহিকে শকতি॥
শৰীৰকো পীড়ে ব্যাধি চক্ষুয়ে নাকলে।
আশাপাশে বান্ধিয়া গৃহত থাকি গলে॥
হেন জানি শিশুসব এড়া আন কৰ্ম্ম।
কৰিয়োে কুমাৰকালে ভাগৱতধৰ্ম্ম॥
দুৰ্ল্লভ মনুষ্যজন্ম নকৰা বিফল।
চিন্তা মনে মাধবৰ চৰণকমল॥"

আৰু এই দৰে ষণ্ডামাৰ্কৰ ঘৰ হৰিৰ মধুৰ নামৰ ধ্বনিৰে ভৰি যায়।



[ ৬ ]

## পৰীক্ষা

এদিন হিৰণ্যকশিপুৰ মন গ'ল, তেওঁৰ লৰাকেটাই গুৰুৰ ঘৰত কি শিকিলে, তাৰে পৰীক্ষা লবৰ। বৰ ডাঙৰ সভা। কোনোপিনে ডাঙৰ ডাঙৰ বিষয়াসকল, কোনো-পিনে পণ্ডিতসকল, কোনোপিনে দুৱৰী আৰু দূত। ৰজাই আজি সকলোকে নিমন্ত্ৰণ কৰিছে, তেওঁৰ প্ৰতেকইঁতৰ বিদ্যাবুধি চাবলৈ।

ৰজাই প্ৰথমতে বৰ লৰা তিনটাক সুধিলে, "সোণহঁত, গুৰুৰ ঘৰত বাৰু তোমালোকে কি শিকিলা?" তিনিওটাই খাপৰ তৰোৱাল উলিয়াই ক'লে, "হৰি আমাৰ শত্ৰু"। কিন্তু ৰজাই যেতিয়া অইন প্ৰশ্ন কৰিলে, তেতিয়া আৰু সিহঁতে এটাৰো উত্তৰ দিব নোৱাৰিলে। ৰজাৰ তাতেই আনন্দ। লৰাকেইটাই অইন নিশিকিলেও হৰি যে সিহঁতৰ শত্ৰু, অন্ততঃ সেইটো শিকিছে।

তাৰ পিচত পৰিল পাল প্ৰহ্লাদৰ। প্ৰহ্লাদ আছিল ৰজাৰ নুমলীয়া লৰা; সেই কাৰণে ৰজাৰো আছিল তেওঁৰ ওপৰত বৰ মৰম। ৰজাই প্ৰহ্লাদক কোলাত সুমাই একালৰ পৰা প্ৰশ্ন কৰি গ'ল। প্ৰহ্লাদৰ ককায়েক-হঁতে যিবোৰ প্ৰশ্নৰ উত্তৰ একেবাৰেই কৰিব নোৱাৰিলে, প্ৰহ্লাদে অনায়াসে সেইবোৰ কৈ পেলালে। ৰজাৰ যি হাঁহি! শেষত ৰজাই সুধিলে, "মোৰ পোনা, কোৱা চোন, কি ভাল, কি বেয়া? প্ৰহ্লাদে ক'লে, 'দেউতা, এই সংসাৰত একোৱেই সদায় নাথাকে। ধন, মান, যশ, বিদ্যা, সুখ, ৰাজ্য এই সকলো বিলাকেই জীৱনৰ লগতে অন্ত পৰে। সকলোৱেই দুদিনীয়া; মৰিলেই সেইবোৰ আৰু একোটো আমাৰ হৈ নাথাকে। বিপদৰ পৰা সিহঁতে আমাক ৰক্ষা কৰিব নোৱাৰে। পৃথিবীৰ সাৰ বস্তু হৈছে, হৰি। হৰিক ভজা। বিপদৰ পৰা ৰক্ষা পাবা। হৰিয়ে তোমাক কেতিয়াও নেৰে।

"শুনা পিতৃ ইটো গৃহ অন্ধকূপ এৰি।
তপোবনে একচিত্তে আৰাধিয়ো হৰি॥"

হৰিৰ নাম শুনি দৈত্য সমাজত তবোৱাল চিক্‌মিকাই

উঠিল। কিন্তু, ৰজাই ভাবিলে, কোনোবা দুষ্ট হৰিভক্তে ইয়ে প্ৰহ্লাদক হৰিৰ নাম শিকাইছে। ভাল শিক্ষা পালে হৰিৰ নাম লবলৈ এৰি দিব। তাকে ভাবি সেই দিনা প্ৰহ্লাদক একো নকলে; মাথোন বুঝালে, "সোণ, হৰিৰ নাম লব নাপায় নহয়।" ষণ্ডামাৰ্কক কিন্তু সাৱধান কৰি দিলে যেন প্ৰহ্লাদৰ মুখত আৰু সেই নাম নুশুনে। ষণ্ডামাৰ্ক ধুমুহাত কলগছৰ পাত কঁপাদি ইমান বেলি কঁপি আছিল, এতিয়া ৰক্ষা পালে জানি ঘৰমুৱা হ'ল। বাটে বাটে প্ৰহ্লাদক বুঝাই গ'ল, "হৰি শত্ৰু, হৰি শত্ৰু, ঘোৰ শত্ৰু"।



[ ৭ ]

## বিপদৰ মাজেদি

এদিন ষণ্ডামাক ক'ৰবালৈ গৈছিল। সিহঁতে ভাবিছিল, ইমান বুঝনি পাই এতিয়া প্ৰহ্লাদে হৰিৰ নাম লবলৈ এৰিলে। কিন্তু প্ৰহ্লাদে যে খোৱা এৰিব পাৰে শোৱা এৰিব পাৰে, পিন্ধা এৰিব পাৰে, কিন্তু হৰিৰ নাম একোপধো নেৰে, এই কথা সিহঁতে নাজানিছিলেহঁ। দুই গুৰু উভটি আহি দেখে যে প্ৰহ্লাদে নাম লগাই দিছে, আৰু আইনবোৰে নাম ধৰিছে। প্ৰহ্লাদে লগাই দিছে, —

"হৰি নাম বিনা বান্ধৱ নাই—"

লৰাবোৰে ধৰিছে,

"হৰি নাম বিনা বান্ধৱ নাই—"

প্ৰহ্লাদে লগাই দিছে,

হৰি বোল, হৰি বোল, হৰি বোল ভাই—,"

লৰাবোৰে ধৰিছে,

"হৰি বোল, হৰি বোল, হৰি বোল ভাই —"

সকলোবোৰ লৰা একেবাৰেই ব'লীয়া ;—গাইছে, চাপৰি বাইছে আৰু নাচিছে—হৰিৰ নাম গাই গাই।

ষণ্ডামাৰ্কই দেখে. সৰ্ব্বনাশ। এতিয়া এই কথা যদি, ৰজাই, হাতীৰ কাণে, পহুৰ কাণেও, গম পায়! সিহঁতে তেতিয়া ভালেমান পৰ ভাবি ঠিক কৰিলে, ৰজাক জনোৱা-টোহে বাৰু হ'ব। প্ৰহ্লাদে হৰিৰ নাম নেৰে। সিহঁতে ভাবিলে, এতিয়াই কথাটো ৰজাৰ কাণ চুৱাই থ'লে সিহঁতৰ শাস্তি কম হ'ব পাৰে। সিহঁতে, লৰি গৈ, ৰজাক বাৰ্তা দিলে,"মহাৰাজ, প্ৰহ্লাদ বৰ দুষ্ট হ'ল, কাৰো কথা নুশুনে। সকলো দুষ্ট লৰা গোটাই সি হৰিৰ নাম গাই গাই নাচে।" ষণ্ডামাৰ্কই যিমান পাৰে প্ৰহ্লাদৰ বদনাম ক'লে। ৰজাই তেতিয়াই মানুহ পঠাই প্ৰহ্লাদক ধৰাই অনালে।

প্ৰহ্লাদক দেখিয়েই ৰজাই উগ্ৰমূৰ্ত্তি ধৰি সুধিলে, "হয় নে প্ৰহ্লাদ, তয় বোলে হৰিৰ নাম লবলৈ এৰা নাই? আজি দেখোন গুৰুৰে গোচৰ দিছেহি।" সভাসদবিলাকে ভাবিছিল, যি মূৰ্ত্তি দেখি দেৱতাসকলৰো চুৰ্ত্তি হৈৰাই ছিল, সেই মূৰ্ত্তি দেখি নিশ্চয় প্ৰহ্লাদে ভয় খাই ক'ব, হৰিৰ নাম নলওঁ বুলি। কিন্তু প্ৰহ্লাদৰ ভয়

কিহৰ ? তেওঁ উত্তৰ দিলে, "দেউতা, যাৰ কৃপাত এই সুখ ভোগ কৰিছোঁ, যাৰ মৰম জগত জুৰি আছে, সেই হৰিক কেনেকৈ পাহৰিম ?" খঙত হিৰণ্যকশিপুৰ চকু ৰঙা হ'ল। যি হিৰণ্যকশিপুৰ নামত, মানুহৰ পৰা দৈত্যলৈকে, সকলো কঁপি যায়, সেই হিৰণ্যকশিপুক নিজৰ পুতেকে নামানে! হিৰণ্যকশিপু খঙত একোনাই হৈ তাৰ ৰখীয়াবিলাকক আদেশ কৰিলে, "ইয়াক এতিয়াই লৈ গৈ মাৰি পেলা।" হুকুম দি সি গপ্‌হগপ্‌হ কৈ ভিতৰলৈ সোমাই গ'ল।

ৰজাৰ আদেশ শুনি সকলোৰে মুখ শুকাই গ'ল। প্ৰহ্লাদক সকলোৱেই ভাল পাইছিল। নাপাবলৈকো, প্ৰহ্লাদৰ দৰে জানো ক'ৰবাত লৰা আছিল! কাৰোবাৰ ঘৰত বেমাৰ, দেখিবা, প্ৰহ্লাদে, ৰজাৰ লৰা হৈয়ো, নিজেই তালাপি কৰিছেগৈ ;—কাৰোবাৰ ঘৰত খাবলৈ নাই, তাত দেখিবা, প্ৰহ্লাদে নিজে নাখাই লোকক খুৱাইছে ;—কাৰোবাৰ ঘৰত বিপদ, তাত দেখিবা প্ৰহ্লাদে অকাতৰে সহায় কৰিব লাগিছে। কিন্তু ৰজাৰ খঙৰ ওপৰত কোনে মাতে ?—মাতিলে, কোদোবাঁহ হে জোকাই ল'লে! ৰখীয়াবোৰে

প্ৰহ্লাদক বান্ধি শাস্তিৰ ঠাইলৈ লৈ গ'ল। প্ৰহ্লাদক টানি নিওঁতে কাঠচিতীয়া ৰখীয়া কেইটায়ো কান্দি পেলাইছিল।

শাস্তিৰ ঠাই সদায় ভয়ঙ্কৰ। কেউফালে শগুণ উৰি ফুৰে, শিয়ালে হোৱা দিয়ে, ফেঁচাই নিউ নিউ কৰে। তাৰ যিবোৰ মানুহ সিহঁত আৰু ভয়ঙ্কৰ। সিহঁতৰ মানত মানুহ মৰা এটা ধেমালিহে। কিন্তু তাতো যেন আজি সকলো বেজাৰত মৌন হৈ আছে।

প্ৰহ্লাদৰ গাত হাজাৰ শিকলিৰ বান্ধনি, কিন্তু প্ৰহ্লাদে কোনেপকে কৰা নাই। তেওঁৰ মূৰৰ ওপৰত ঘাতকৰ তৰোৱাল, মুহূৰ্ত্ততে তেওঁৰ মূৰৰ ওপৰত পৰিব। কিন্তু তেওঁৰ তালৈ চকু নাই। তেওঁ একমনে গাইছে,—

হৰি ও হৰি চৰণে লাগোঁ।
অভয় চৰণে শৰণ মাগোঁ॥

গাওঁতে গাওঁতে তেওঁ সকলো পাহৰিলে। হৰিৰ নামে তেওঁৰ খঙ্, দুখ, বেজাৰ সকলো তল নিয়ালে। তেওঁ দৈত্যবিলাকৰ হৈ খাটিলে, "হৰি, এই দৈত্যবোৰে একো নাজানে। তুমি ইহঁতক ক্ষমা কৰা।" যি ভাল তেওঁ কোনো লোকৰ অপকাৰ চিন্তিব পাৰে?

দৰ্শক হাজাৰে হাজাৰে থিয়। ঘাতকে হোঃ কৈ চিঞৰ মাৰি প্ৰহ্লাদৰ মূৰত তৰোৱালেৰে কোব মাৰি দিলে। দৰ্শক-বিলাকে, আয়ে দেহিয়ে বুলি, চিঞৰ মাৰি দিলে। কিন্তু কি আচৰিত! প্ৰহ্লাদৰ একো নহল। ঘাতকৰ দা-হে ভাগি উফৰি কৰবাত পৰিলগৈ। সকলো অবাক! প্ৰহ্লাদে গাইছে,—

"লোৱাঁ হৰিনাম মুখে ভাই লোৱা হৰিনাম মুখে।"

এটা ঘাতকৰ পিচত ইটো আহিল। ইটোৰ পিচত সিটো আহিল। কিন্তু কোনেও প্ৰহ্লাদক একো কৰিব নোৱাৰিলে। পাৰেনো কেনেকৈ?—হৰিয়ে যে নিজে আহি তেওঁৰ চক্ৰেৰে প্ৰহ্লাদক আবৰি ধৰিলেহি! ঘাতকৰ দা সেই চক্ৰত পৰি ভাগি চূৰমাৰ হল। দৰ্শক-বিলাকৰ ভিতৰৰ পৰা তেতিয়া এটা সৰু লৰাই গালে;—

"হৰি চৰণত শৰণ লৈলোঁ এহৰি নাৰায়ণ।
মানবী জনম সফল কৈলোঁ এহৰি নাৰায়ণ॥"

তেওঁ প্ৰহ্লাদৰ সহপাঠী।

ঘাতক কেইটাই আচৰিত হৈ প্ৰহ্লাদক ৰজাৰ ওচৰলৈ লৈ গল। প্ৰহ্লাদে বাটে বাটে গাই গল।

—প্ৰহ্লাদ—

"ও হৰি নমো দামোদৰ,
যাদব দুঃখ নিবেদিবো কত।
নভৈল ভকতি ইহ মনুষ্য জন্মত ॥

— ———

( ৮ )

## বিপদৰ মাজেদি।

খঙ্গেবেজাৰে হিৰণ্যকশিপু সিংহাসনত বহি আছে। তেনেতে কোটোৱালইঁতে প্ৰহ্লাদক নি তেওঁৰ আগত উপস্থিত কৰিলেগৈ। প্ৰহ্লাদক দূৰত দেখি তেওঁ ভাবিলে, প্ৰহ্লাদে নিশ্চয় ভয় খাই হৰিৰ নাম নলওঁ বুলি কৈছে। সি বৰ ভাল পালে। প্ৰহ্লাদেও বাপেকক সেৱা কৰিলে। হাজাৰ্ হওক বাপেক তেওঁৰ মহাগুৰু।

কিন্তু পিচ মুহূৰ্ত্ততে কোটোৱালইঁতে তেওঁক সকলো কথা ভাঙ্গি কলে। কথা শুনি ৰজাৰ খঙ্গে মূৰৰ চুলি পালেগৈ। কিন্তু ৰজাই ভাবিলে "ইয়াক আৰু এবাৰ ভাল কৰিবলৈ

PLEASE HANDLE THE BOOK CAREFULLY



যত্ন কৰাহে উচিত। খঙৰ মূৰত একো কৰা ভাল নহয়।" এই ভাবি ৰজাই মনৰ খঙ মনতে দমাই কলে "সোণ, হৰিৰ নাম আৰু নোলোৱা নহয় নে ? মই হৰিৰ নাম ললে বেযা পাওঁ নহয। মোৰ খঙ্ উঠে।" কিন্তু প্ৰহ্লাদে কলে, "দেউতা, যি জনে আজি এই ঘাতকৰ হাতৰ পৰা মোক ৰক্ষা কৰিছে তেওঁৰ নাম নলৈ আৰু কাৰ নাম লম ? তুমিও এবাৰ সেই হৰিৰ নাম লোৱাঁ। ৰক্ষা পাবা।" প্ৰহ্লাদক তেতিয়া ৰজাই কোলাত তুলি লৈছিল; কথা শুনি আচাৰ মাৰি মাটিলৈ পেলাই দিলে। কি আপদ! এই সৰু-লৰাটোৰ মুখত ইমান কথা! ৰজাই তৎক্ষণাৎ হুকুম দিলে, "ইযাক এতিযাই হাতীৰে গচকাই মাৰগৈ।" যেনে হুকুম তেনে কাম। কোটোৱালহঁতে প্ৰহ্লাদক টানি লৈ গুচি গল।

ৰজাৰ এপাল হাতী আছিল। সেই হাতীৰ পালটোক ভয় নকৰা কি মানুহ কি দৈত্য কোনো নাছিল। সিহঁতক দিনে ৰাতিয়ে বান্ধি থোৱাহে হৈছিল। ৰজাই সিহঁতক থৈছে কেবল দুষ্ট মানুহক গচকাই মৰাবলৈ। আজিলৈকে যে সিহঁতে কত দৈত্য মাৰিছে তাৰ লেখ নাই।

এই হাতীৰ পালটোক জোকাই খণ্ড তুলি লোৱা হল। সিহঁতৰ দপ্‌দপনিত পৃথিবী কঁপি গল। সকলোৱে ভাবিলে এইবাৰ প্ৰহ্লাদৰ ৰক্ষা নাই। প্ৰহ্লাদক যিবোৰে ভাল পাইছিল সিহঁতে কান্দি পেলালে। কিন্তু প্ৰহ্লাদ অচল অটল। তেওঁ গাইছে,—

"সাৰঙ্গপাণি প্ৰভু ভগৱন্ত।
নজানো তোমাৰ মায়াৰ অন্ত॥"

ৰজাৰ মাউতে এই পালটোৰ বান্ধ মোকলাই তাৰ মাজলৈ প্ৰহ্লাদক গতা মাৰি পেলাই দিলে।

হাতীৰ পালৰ যিটো মখনা সি গৰ্জ্জি আহি প্ৰহ্লাদক শুঁৰেৰে মেৰাই ধৰিলে। সকলোৱে "হাঁয় হাঁয়" কৰি উঠিল। কন্তু কি আচৰিত ! হাতীটো, কি ভাবি, অলপ ৰল ! তাৰ পিচত সি মাউতটোক পেলাই প্ৰহ্লাদক তাৰ পিঠিৰ ওপৰত তুলি ললে। সকলো হাতীয়েই শান্ত হৈ শুঁৰবিলাক তললৈ কৰি প্ৰহ্লাদক সেৱা কৰিলে। সকলো দৰ্শক আচৰিত। ঘাতকে প্ৰহ্লাদক লৈ ৰজাৰ ওচৰলৈ গল।

ৰজাই প্ৰহ্লাদক দেখি আচৰিত মানিলে। সুধিলে, "ই এতিয়াও মৰা নাই নে ?" ঘাতকে কলে, "মহাৰাজ,

মাৰক চাৰি হাতীজাকে শূৰতহে তুলি ললে। আমি কি কৰিম ?” ৰজা আচৰিত হল। কিন্তু ভাবিলে, কুপুত্ৰ থকাত কৈ মৰাই ভাল। ৰজাই হুকুম দিলে, “পৰ্ব্বতৰ ওপৰৰ পৰা সাগৰলৈ পেলাই দে।” ঘাতকে তেতিয়াই লৈ গল, পৰ্ব্বতৰ টিঙৰ পৰা সাগৰলৈ পেলাই দিবলৈ।

আকাশ-ছোৱা পৰ্ব্বত ; তাৰ তলতে সাগৰ। সাগৰৰ ঢৌ আহি পৰ্ব্বতত লাগি গাজনিৰ দৰে শব্দ কৰিছে। এই সাগৰলৈকে এতিয়া প্ৰহ্লাদক ওপৰৰ পৰা পেলাই দিব। ৰখীযাবোৰে কেনেবাকৈ প্ৰহ্লাদ সাঁতুৰি পাৰ হয় বুলি এটা ডাঙৰ শিলো প্ৰহ্লাদৰ গাত বান্ধি দিলে। প্ৰহ্লাদৰ লগৰ লৰাবোৰৰ মন মৰি গল। প্ৰহ্লাদে কিন্তু সিহঁতক কলে, “ভাইহঁত, ভয় নকৰিবা। যি হৰিয়ে ঘাতকৰ দা ভাঙি দিলে, যি হৰিয়ে দুৰ্দ্দান্ত হাতীক শান্ত কৰিলে, সেই হৰিয়েই মোক আজিও ৰক্ষা কৰিব।

ৰজাৰ ৰখীয়াবিলাকে তেনেতে আহি প্ৰহ্লাদৰ হাতভৰি বান্ধি প্ৰহ্লাদক সাগৰলৈ দলি মাৰি পঠিয়ালে। সকলোবো ভাবিলে প্ৰহ্লাদৰ আৰু এই বাৰ সাং ! কিন্তু কি আচৰিত কথা, প্ৰহ্লাদৰ গাত আঁচোৰ এটাও নালাগিল ! প্ৰহ্লাদৰ

গাত বান্ধি দিয়া শিলটো ওপঙি পৰিলে, বান্ধবোৰ মোকল হৈ গল। প্ৰহ্লাদে শিলটোৰ ওপৰত বহি গাইছে।

"হৰিসে আতমা হৰিসে বন্ধু।
তৰি হৰিনামে সংসাৰ সিন্ধু॥"

ৰজাৰ ৰখীয়াবিলাকে আকৌ প্ৰহ্লাদক লৈ ৰজাৰ ওচৰ পালেগৈ।

ৰজাই সকলো কথা শুনি হুমুনিয়াহ পেলালে। ভাবিলে, "মোৰ এইটো লৰা গাওঁবাটে নোযোৱা হলে মোৰ কিহৰ ভয় আছিল।" কিন্তু যি হৰিয়ে তাৰ একেটি ভায়েক হিৰণ্যাক্ষক বধ কৰিলে, সেই হৰিৰ নামকে তাৰ নিজৰ পুতেকে লব সি সেইটো সহিব নোৱাৰিলে। ৰজাই হুকুম দিলে, "সাপৰ গাতুৰাই খোটাই মাৰ।" ঘাতকইতে প্ৰহ্লাদক আকৌ লৈ গল।

ৰজাৰ এটা ঘৰ আছিল। এই ঘৰটোত ৰজাই সকলো বিধৰ সাপ পুহিছিল। দোষী মানুহক এই সাপৰ মাজলৈ পেলাই দিওৱা হৈছিল। এই ঘৰটোৰ পৰা মানুহ পলায়, এনে এটা বাটো নাছিল। দুৱাৰখনি মাৰি দিলে বেলিৰ

পোহৰো এই ঘৰটোত সোমাব নোৱাৰে। এই ঘৰটো-লৈকে ৰজাৰ মানুহে প্ৰহ্লাদক ঠেলি সুমুৱাই দিলে।

প্ৰহ্লাদে ঘৰটোৰ ভিতৰলৈ সোমাই দেখে, লাখে লাখে সাপ। কোনোটো ৰঙা, কোনোটো হালধীয়া, কোনোটো কাপ-কাপ। সিহঁতৰ ফোচ্‌ফোচনিত কাণ তাল মাৰে। সাপবোৰ তাতে কি ভয়ঙ্কৰ দেখিবলৈ! কিন্তু প্ৰহ্লাদ পৰ্ব্বতৰ দৰে অচল অটল। তেওঁ মাথোন আঠুকাঢ়ি কৰ-যোৰ কৰি হৰিক চিন্তিছে।

সাপবোৰে যেতিয়া দেখিলে সিহঁতৰ মাজত কোনোবা এটা সোমালহি, তেতিয়া সিহঁতে প্ৰহ্লাদক আহি বেঢ়ি ধৰিলে। সাপবোৰৰ মাজত খঙাল ফেটীয়ে খোঁট দুটা মানকে মাৰি দিলে। কিন্তু হৰি যʼাৰ সহায় তাৰ কʼত ভয়? প্ৰহ্লাদৰ একোৱেই নহল। সাপবোৰে যেতিয়া দেখিলে প্ৰহ্লাদক একো কৰিব নোৱাৰে আৰু প্ৰহ্লাদেও সিহঁতক একো অত্যাচাৰ কৰা নাই, তেতিয়া সিহঁতে প্ৰহ্লাদক এৰি চুকত মেৰ পাতি থাকিলʼগৈ। যি কেইটা সাপে প্ৰহ্লাদক খুটিছিল সিহঁতৰ দাঁত ভাগি গল।

পিচ দিনা যেতিয়া ৰজাৰ মানুহ দুৱাৰ খুলিবলৈ যায়,

সিহঁতে ভাবিছিল, প্ৰহ্লাদৰ মৰা শটোহে পাব। কিন্তু দুৱাৰ মেলি দেখিলে প্ৰহ্লাদ জীয়ায়েই আছে। সিহঁতে বিচুৰ্ত্তি খাই মূৰেকপালে হাত দি বহি পৰিল।

ৰজা এই বাৰ বৰ চিন্তাত পৰিল। ইমানবোৰ বুধি কৰিও প্ৰহ্লাদক মাৰিব নোৱাৰিলে। কিন্তু সভাসদ এটাই কলে, "মহাৰাজ, প্ৰহ্লাদক মৰাৰ বঢ়িয়া উপায় হৈছে, ডাঙৰ কৈ জুই একুৰা ধৰি, তাতে পেলাই দিয়া। ৰজাই অইন উপায় নাপাই তাতে হয় দি, প্ৰহ্লাদক পুৰি মাৰিবলৈ হুকুম দিলে।

ওচৰৰ হাবিত যিমান শুকান কাঠ আছিল সকলোখিনি অনাই এঠাইত দ'ম কৰালে। পিচত প্ৰহ্লাদক খুটা এটাত বান্ধি কেউপিনে খৰি থৈ জুই লগাই দিয়ালে। জুই গৈ আকাশ পালেগৈ। সকলোৱে হায় হায় কৰি উঠিল। আন কি ৰজাৰো ইচ্ছা হৈছিল প্ৰহ্লাদক ক্ষমা কৰে। কিন্তু সেইটো অসম্ভৱ। প্ৰহ্লাদক এৰি দিলে হৰিৰ নাম দেশে দেশে প্ৰচাৰ হব। একেটি ভায়েকক যি হৰিয়ে মাৰি থৈ গল সেই হৰিক কেতিয়াও ৰজাই ইমান ডাঙৰ হবলৈ নিদিয়ে। লাগে প্ৰহ্লাদেই মৰক।

লাহে লাহে জুই নুমাই আহিল। সকলোৱে ভাবিছিল প্ৰহ্লাদৰ হাড় এডালো পোৱা নাযাব। কিন্তু যেতিয়া জুই-কুৰা নুমাই আহিল সকলোৱে দেখে প্ৰহ্লাদে ওপৰলৈ চাই গাইছে,—

“সেৱক বুলিয়া পালিয়ো হৰি,
চৰণে শৰণ লৈলোঁ।
তোমাত ভকতি নকৰি কৃপালু
জনম বিফল কৈলোঁ॥”

জুয়েও একো কৰিব নোৱাৰা দেখি ৰজা সভাসদ সকলো চিন্তাত পৰিল। পিচে এটা দুষ্ট সভাসদে মাত লগালে “মহাৰাজ, প্ৰহ্লাদক বিহ খুৱাই মৰা হওক।” ৰজাৰ পাৰিষদবোৰে ৰজাক ভালৰি বুজাবলৈ যত্ন কৰি থাকে। সিহঁতেও ঘপৰাই মাত লগালে “হয়, হয়, আমিও তাকে ভাবিছিলোঁ।” উপায় নাপাই ৰজায়ো কলে “সেয়ে হওক।”

সেই দিনা হিৰণ্যকশিপুৱে পৃথিৱীত যিমানবিলাক বৰ বিহ আছে সেই সকলোবিলাক গোটাই অনাই এটা বিহৰ পিঠা কৰোৱালে। গধূলি সেই পিঠাকে প্ৰহ্লাদক

খাবলৈ দিয়া হল ! প্ৰহ্লাদে জানিছে বিহ খাব লাগিব, কিন্তু তেওঁ প্ৰহ্লাদৰ মুখত হাঁহি। প্ৰহ্লাদে জানে হৰিক একমনে মাতিব পাৰিলে তেওঁৰ ভয় নাই। বিহ খুবাবলৈ নিওঁতে প্ৰহ্লাদৰ মাকে আউলি-বাউলি হৈ কলেহি, "মোৰ সোণ, হৰিক মাতিবলৈ এৰি দে। মোৰ বুকৰ লৰা বুকলৈ আহ।" প্ৰহ্লাদে মাকক সেবা কৰি কলে, "আই, একো চিন্তা নকৰিবা যি হৰিৰ কৃপাত ঘাতকৰ তৰোৱাল চূৰমাৰ হল, যাৰ কৃপাত পানীত শিল ওপঙ্গিল, সেই হৰিয়েই আজিও মোক ৰক্ষা কৰিব।"

গধুলি ৰজাৰ মানুহে প্ৰহ্লাদক বিহৰ পিঠা খাবলৈ দিলে। প্ৰহ্লাদে তাৰে এভাগেৰে হৰিৰ পূজা কৰিলে, এভাগ নিজে খালে।

সকলোৱে ভাবিছিল এই বাৰ আৰু প্ৰহ্লাদ মৰিবই। কিন্তু হৰিত যাৰ একান্ত ভকতি, বিপদ তাৰ ওচৰ চাপিব পাৰে জানো ? বিহ, বিহ গুচি অমৃত হল।

---

# ( ৯ )

হিৰণ্যকশিপু এই বাৰ ভাগৰিল। এই অদ্ভুত লৰা-টোক কেনেকৈ ভাতৃবধা হৰিৰ নাম লবলৈ এৰুৱাব বা বধ কৰিব তাৰ উপায় নাপাই আচৰিত হৈ ৰজাই সুধিলে, "প্ৰহ্লাদ সঁচা কথা ক, কোনে তোক ৰক্ষা কৰি ফুৰে।" তেতিয়াও ৰজাৰ বিশ্বাস হোৱা নাই যে হৰিয়ে মানুহক বিপদৰ পৰা এনেকৈ ৰক্ষা কৰি ফুৰে। প্ৰহ্লাদে কলে, "দেউতা, মোৰ হৰিয়েই মোক ৰক্ষা কৰি ফুৰে। হৰি বৰ দয়ালু। বেমাৰৰ পৰা ৰক্ষা পৰিবলৈ হৰিৰ কৃপাৰ সমান ডাঙৰৰ ঔষধ নাই, শত্ৰুৰ হাতৰ পৰা সাৰিবলৈ এনে অস্ত্ৰ নাই, দুখশোকৰ জুই নুমাবলৈ এনে পানী নাই। তুমিও এবাৰ কোৱা, হৰি বোল। তোমাৰ যি দুঃখ আছে সকলো নাইকিয়া হব।" হিৰণ্যকশিপুৰ খঙ উঠিল। কিন্তু সি ভাবিলে হৰিৰ কথা সকলো ইয়াৰ পৰা জানি লোৱাহে ভাল হব। তাৰ মনৰ খঙ মনতে মাৰ নিয়াই তেতিয়া সি সুধিলে, "বাৰু ক, তোৰ হৰি কিমান ডাঙৰ আৰু

তোৰ হৰিনো দেখিবলৈ কেনে।" প্ৰহ্লাদে কলে, "হৰি কিমান ডাঙৰ মই কব নোৱাৰোঁ। তেওঁক জুখিব পৰা সাধ্য মোৰ নাই। কিন্তু দেউতা, মই যিমান সৰু তেওঁ সিমান ডাঙৰ। মই যিমান কুৰূপ তেওঁ সিমান সুৰূপ। তেওঁ আপোনাতকৈয়ো কিমান ডাঙৰ! সচাকৈয়ে দেউতা, "মই তেওঁৰ ফাললৈ ভালকৈ চাবই নোৱাৰোঁ। তেওঁৰ চাৰিউফালে যিহে উজ্জ্বল পোহৰ!" ৰজাই দেখিলে হৰিক নামাৰিলে আৰু উপায় নাই। কিন্তু হৰি কত থাকে, সিতো একো নাজানে। সি তাৰ গদাডালৰ ফালে এবাৰ চালে— এবাৰ যদি হৰিক পায় গদাৰ একেমাৰেই তেওঁৰ মূৰ ভাঙ্গি দিব। সি ভাবিলে, হৰি ক'ত থাকে এবাৰ জানি লব পাৰিলে সি হৰিক বিচাৰি উলিয়াবই উলিয়াব। প্ৰহ্লাদক সুধিলে "বাৰু, তই কব পাৰনে,হৰি ক'ত থাকে?" তেতিয়া প্ৰহ্লাদে কলে "হৰি এই সংসাৰৰ সকলো বস্তুতেই আছে। তেওঁ জলতো আছে, স্থলতো আছে, মোতো আছে, আপোনাতো আছে; এই ঘৰতো আছে, গোটেই পৃথিবীতে আছে। তেওঁ নাই—ব্ৰহ্মাণ্ডত এনেকুৱা এডোখৰ ঠাই নাই।" ৰজাই সুধিলে, "বাৰু, তই যে কৈছ, হৰি সকলো ঠাইতে

আছে বুলি, এই ফটিকৰ খুটাটোতো আছে নে ? প্ৰহ্লাদে কলে, "কেলেই নাইকিয়া ? হৰি ইযাতো আছে।"

'ব্যাপক বিভু প্ৰভু চক্ৰপাণি।
সবাতে আছন্ত জগতস্বামী ॥
স্ফটিক স্তম্ভত দেখিছোঁ আমি ॥"

হিৰণ্যকশিপুৱে ভাবিলে, "যদি হৰি সচাকৈয়ে ইয়াতে আছে তেনেহলে এতিয়াই এসেকা দিয়া যক" সি গদাৰে মাৰ মাৰি খুটাটো ভাঙ্গি পেলালে।

তেতিযাও ৰাতি হোৱা নাই। বেলি ডুবোঁ ডুবোঁ হৈছে মাথোঁ। গৰুমহবিলাক গৰখীয়াই খেদি ঘৰলৈ আনিছে। হঠাৎ এটা গাজনি উঠিল,—

"স্তম্ভৰ ভিতৰে কৰিলে নাদ।
প্ৰলয় মেঘৰ যেন শবদ ॥
ফুটিল কটাহ ভৈল বিস্ময।
ত্ৰিদিশে বোলেও মিলে প্ৰলয় ॥
যত বুঢ়া দৈত্য আছে চৌপাশে।
কম্পে পৃথিবীত পৰিযা ত্ৰাশে ॥"

খুটাটোৰ ভিতৰৰ পৰা এটা অদ্ভুত জন্তু ওলাই আহিল।

তাৰ মুখডোখৰ সিংহৰ, গাটো মানুহৰ। এই নৰসিংহমূৰ্ত্তিয়ে হিৰণ্যকশিপুক গৰাহ মাৰি ধৰি নখেৰে বুকু বিদাৰি পেলালে। হিৰণ্যকশিপু মাটিত পৰি গল আৰু তৎক্ষণাৎ তাৰ মৃত্যু হল।

প্ৰহ্লাদে জানিলে হৰিয়েই হে তেওঁৰ কথাত প্ৰমাণ দিবলৈ এই অদ্ভুত মূৰ্ত্তি ধৰি বৈষ্ণৱৰ ওপৰত বাপেকৰ অত্যাচাৰৰ প্ৰতিশোধ ললে। তেওঁ তেতিয়া হৰিৰ চৰণত ধৰি স্তুতি কৰিবলৈ ধৰিলে।

এই নৰসিংহ মূৰ্ত্তি হৰিৰ এক অৱতাৰ। হিৰণ্যকশিপুক মাৰিবলৈহে হৰিয়ে এই ৰূপ ধৰিছিল। মানুহ বা অইন জন্তুৰ দাৰে আহিতো হিৰণ্যকশিপুক বধ কৰিব নোৱাৰে,—ব্ৰহ্মাৰ যে বৰ আছিল।

প্ৰহ্লাদে তেতিয়া বাপেকৰহৈ খাটিলে, "প্ৰভু, দেউতাই নাজানি তোমাৰ দোষ লগালে। তুমি তেওঁক তোমাৰ চৰণত ঠাই দিয়া যেন।" হাজাৰ হওক, তেওঁৰ জনম দিওঁতা বাপেকৰ দুখ দেখি প্ৰহ্লাদৰ হিয়া ভাগি গল। তেওঁ কিন্তু বাপেকক জীয়াই দিবলৈ নধৰিলে। তেওঁ ভাবিলে

হৰিৰ চৰণত ঠাই পালে এই দুখকষ্টভৰাসংসাৰলৈনো আহিব লাগিছে কিয় ?

ভক্তৰ আগত জানো হৰিৰ খঙ্ থাকিব পাৰে ? হৰিয়ে প্ৰহ্লাদক কোলাত তুলি চুমা খালে। প্ৰহ্লাদক বাপেকৰ ঠাইত ৰজা পাতিলে। প্ৰহ্লাদে তেতিয়া হিয়া খুলি গালে,—

"জয় দামোদৰ হৰে
সেৱকে কাতৰ কৰে।"

ঠিক তেতিয়াই প্ৰহ্লাদৰ লগত পঢ়া লৰাবিলাক সেই ফালেদি গৈছিল। সিহঁতে প্ৰহ্লাদক নাম দিয়া শুনি ধৰিলে,

"ৰাম দামোদৰ হৰে
সেৱকে কাতৰ কৰে॥"

সেই ফালেদি বুঢ়া দুটামান গৈছিল ; সিহঁতে সেই লৰাকেইটাৰ লগতে ধৰিলে,

"ৰাম দামোদৰ হৰে
সেৱকে কাতৰ কৰে॥"

লাহে লাহে নাম গোৱা দৈত্যৰ সংখ্যা বাঢ়ি গল। ওচৰেদি ষণ্ডামাৰ্কই প্ৰহ্লাদক মাৰিবৰ নতুন এটা বুদ্ধি উলিয়াই

PLEASE HANDLE THE BOOK CAREFULLY.



ৰজাৰ ওচৰলৈ গৈছিল। শুনিলে বাটতে হৰিৰ নাম। সিহঁতো আৰু যাব নোৱাৰিলে। সিহঁতেও আহি ধৰিলেহি—,

ৰাম দামোদৰ হৰে
সেৱকে কাতৰ কৰে॥”

লাহে লাহে গোটেই নগৰৰ মানুহ সেইখিনি পালেহি। প্ৰহ্লাদৰ বন্ধুৱে গালে, “ৰাম দামোদৰ হৰে,” প্ৰহ্লাদৰ শত্ৰুৱে গালে, “ৰাম দামোদৰ হৰে, “লৰাই গালে, “ৰাম দামোদৰ হৰে.” বুঢ়াই গালে, “ৰাম দামোদৰ হৰে”। ওপৰেদি চৰাই এটা গৈছিল, সি উত্তৰ কৰিলে, “সেৱকে কাতৰ কৰে।” বাঘ এটাই ছাগলি এটা দেখি গুজৰি আছিল, সি গোজৰণি এৰি গালে, “সেৱকে কাতৰ কৰে।” সাপ এটাই বেঙ এটা ধৰিছিল, সি বেঙ্‌ এৰি দি গালে, “সেৱকে কাতৰ কৰে।”

হৰিৰ নামে হিৰণ্যকশিপুৰ দেশ ঢৌৱাই লৈ গল। পাপৰ ওৰ পৰিল। সংসাৰে দেখিলে, হৰি নিষ্ঠুৰ নহয়, হৰি মৰমিয়াল।

অন্ত।



DISTRICT LIBRARY
(HEM BARUA COLLECTION)
TEZPUR.

# জাননী।

আমাৰ ওচৰত তলত লিখা কিতাপবিলাক পাব। ইয়াৰ বাহিৰেৰ সকলো স্কুলীয়া কিতাপো পাব। দাম সস্তা।

| | | | |
|---|---|---|---|
| বিৰাট পৰ্ব | | ... | ১।০ |
| শকুন্তলা ( পদ্য ) | ... | ... | ছাপা হৈছে। |
| উদ্যোগ পৰ্ব | ... | . | • |
| শান্তি পৰ্ব | ... | ... | • |
| সমাজ কথা | . | . | ।৵০ |
| বৈষ্ণৱী কীৰ্ত্তন | ... | .. | ০ |
| কুমৰহৰণ | ... | ... | ॥০ |
| কুকুৰিকণাৰ আঠমঙ্গলা | ... | .. | ।৵০ |
| ভীমচৰিত্ৰ | ... | ... | |
| স্যমন্তহৰণ | ... | . | ৵০ |
| কাণখোৱা | | ... | ৵০ |
| জ্যোতিষ বস্তুসংগ্ৰহ | ... | ... | ॥০ |
| বৰ গীত | ... | ... | ॥০ |
| প্ৰহ্লাদ ( লৰাৰ পুথি ) | .. | ... | ছাপা হৈছে। |

মেনেজৰ

**বৰকটকী কোম্পানী**

যোৰহাট।

---

Printed by Amirta Lall Sircar at the

**Kattayani Machine Press,**

*39/1, Shibnarayan Dass's Lane, Calcutta*